**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-09-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। জি এছ টিৰ শেহতীয়া সংস্কাৰ সাধনে সমবায় খণ্ডক শক্তিশালী কৰি তুলি সমবায় সমিতিসমূহৰ উপাৰ্জন বৃদ্ধি কৰিব বুলি চৰকাৰে মত পোষণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউক্ৰেইনৰ সংঘাতৰ শীঘ্ৰে ওৰ পেলোৱাৰ হকে প্ৰচেষ্টা গ্ৰহণ কৰাকে ধৰি বিভিন্ন বিষয় লৈ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁৰ সৈতে মত বিনিময় কৰিছে।

৩। ভাৰতে বিশ্ব বাণিজ্য সংগঠন ডব্লিঅ' টি অ'ৰ সৈতে মুক্ত, নিকা আৰু সৰ্বাত্মক বহুপাক্ষিক বাণিজ্য ব্যৱস্থাৰ প্ৰতি দায়বদ্ধতাৰ বিষয়ে পুনৰ উল্লেখ কৰিছে।

৪। ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন স্থানত আজি নিশাৰ আকাশত পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ পৰিলক্ষিত হ'ব। ***আৰু***

৫। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰত কৰা শেহতীয়া সংস্কাৰ সাধনে সমবায় খণ্ডক শক্তিশালী কৰি তোলাৰ লগতে এই খণ্ডত উৎপাদিত সামগ্ৰীসমূহৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক পৰিৱেশ সৃষ্টি কৰি এনে সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰিব ইয়াৰ ফলস্বৰূপে সমবায় সমিতিসমূহৰ উপাৰ্জন বৃদ্ধি কৰিব। জি এছ টিৰ সংশোধন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে এইদৰে মত পোষণ কৰিছে। কেন্দ্ৰীয় সমবায় মন্ত্ৰালয়ে এটা বিবৃতিত এই সন্দৰ্ভত আশা ব্যক্ত কৰি কয় যে জি এছ টিৰ সংস্কাৰ সাধনে গ্ৰাম্য উদ্যমীসকলৰ প্ৰসাৰ সাধন কৰাৰ লগতে খাদ্য সংসাধন খণ্ডৰ সৈতে জড়িত সমবায় সমিতিসমূহৰ মান উন্নীত কৰি দেশৰ কোটি কোটি পৰিয়ালৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ সুলভ হৈ পৰাটো নিশ্চিত কৰিব।

আনহাতে, কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে জি এছ টিৰ ক্ষেত্ৰত নতুনকৈ প্ৰৱৰ্তন কৰা সংশোধিত হাৰৰ ব্যৱস্থাই দেশৰ কৃষি খণ্ডৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব। ভূপালত এখন সংবাদমেলত অংশগ্ৰহণ কৰি শ্ৰীচৌহানে জি এছ টিৰ সংস্কাৰ সাধনে ক্ষুদ্ৰ আৰু মধ্যমীয়া শ্ৰেণীৰ কৃষকসকলক কেনেধৰণে উপকৃত কৰিব সেই বিষয়ে ব্যাখ্যা কৰে। কৃষিখণ্ডৰ সৈতে জড়িত সজুলিসমূহৰ মূল্য হ্ৰাস পাই উৎপাদন ব্যয়ো কমি অহাৰ ফলত কৃষকসকলৰ আয় বৃদ্ধি পাব বুলি তেওঁ মত প্ৰকাশ কৰে। ০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউক্ৰেইনৰ সংঘাতৰ শীঘ্ৰে ওৰ পেলোৱাৰ হকে প্ৰচেষ্টা গ্ৰহণ কৰাকে ধৰি বিভিন্ন বিষয় লৈ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁৰ সৈতে মত বিনিময় কৰিছে। দুয়োগৰাকী নেতাৰ মাজত কালি টেলিফোনযোগে হোৱা বাৰ্তালাপৰ সময়ত আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক দিশৰ পৰা গুৰুত্বপূৰ্ণ ভালেমান বিষয়ে স্থান লাভ কৰে। এই আলোচনাৰ সময়ত শ্ৰীমোদীয়ে ইউক্ৰেইন সংঘাতৰ শান্তিপূৰ্ণ সমাধান তথা শান্তি আৰু সুস্থিৰতাৰ পৰিস্থিতি ওভতাই অনাৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ বিষয়ে দোহাৰে। ভিন ভিন খণ্ডত ভাৰত

আৰু ফ্ৰান্সৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে  আলোচনা কৰি নেতা দুগৰাকীয়ে এই সম্পৰ্কৰ অগ্ৰগতিৰ বিষয়টোও পৰ্যালোচনা কৰে।

সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ কৌশলগত সহযোগিতাই আন্তৰাষ্ট্ৰীয় পৰ্যায়ত শান্তি আৰু সুস্থিৰতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱৰ সন্দৰ্ভত অহা বছৰ ফেব্ৰুৱাৰীত ভাৰতত আয়োজিত শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ নিমন্ত্ৰণ গ্ৰহণ কৰা বাবে প্ৰধানমন্ত্ৰীয়ে শ্ৰীমেক্ৰঁক ধন্যবাদ জনায়।

০০০০

শাসকীয় লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি চমুকৈ এল ডি পিৰ ভিতৰত বিভাজন ৰোধ কৰাৰ উদ্দেশ্য জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিবাই পদত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। এলডিপি নেতৃত্বাধীন মিত্ৰজোঁটে জুলাই মাহত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ পাছত উচ্চ সদনত সংখ্যাগৰিষ্ঠতা হেৰুৱাইছিল।ইছিবাই নিৰ্বাচনত তেওঁৰ এল ডি পি নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰাজয়ৰ বাবে পদত্যাগ কৰাৰ পৰিকল্পনা কৰা বুলি প্ৰকাশ পোৱা খবৰ অস্বীকাৰ কৰাৰ কেইসপ্তাহমান পিছতে  আজি দেশখনৰ চৰকাৰী অঁনাতাৰ এন এইচ কেই এই ঘোষণা কৰে । যোৱা মঙলবাৰে  ইছিবাই কৈছিল যে তেওঁ আমেৰিকাৰ সৈতে হোৱা শুল্ক চুক্তিখন উপযুক্তভাৱে কাৰ্যকৰী হোৱাটো নিশ্চিত কৰিব বিচাৰে।  তেওঁ উপযুক্ত সময়ত নিৰ্বাচনত পৰাজয়ৰ দায়িত্ব   কেনেকৈ  স্বীকাৰ কৰিব সেই সম্পৰ্কে সিদ্ধান্ত ল'ব বুলি কৈ পদবী ত্যাগ কৰাৰ বাবে জনোৱা আহ্বানক প্ৰতিহত কৰিছিল।

০০০০

পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰ পখতুনখোৱা প্ৰদেশত এখন ক্ৰিকেট খেল চলি থকাৰ সময়ত হোৱা বিস্ফোৰণত এজন লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক আহত হয়। আৰক্ষী সুত্ৰই প্ৰকাশ কৰা মতে, কালি বজাউৰ জিলাৰ খাৰ তহচিলৰ কৌছাৰ ক্ৰিকেট খেলপথাৰত এই বিস্ফোৰণ সংঘটিত হয়। বাজাউৰ জিলা আৰক্ষী বিষয়া ৱাকাছ ৰফিকে আই ই ডিৰ সহায়ত এই বিস্ফোৰণটো সংঘটিত কৰা বুলি নিশ্চিত কৰিছে। এই আক্ৰমণটো নিৰ্দিষ্ট লক্ষ্যেৰে সংঘটিত কৰা হৈছিল বুলি তেওঁ উল্লেখ কযৰিছে।  কোনো গোটে এতিয়ালৈকে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই যদিও এই আক্ৰমণত  সন্ত্ৰাসবাদী গোট জড়িত থকা বুলি আৰক্ষীয়ে দাবী কৰিছে।

০০০০

ভাৰতে বিশ্ব বাণিজ্য সংগঠন ডব্লিঅ' টি অ'ৰ সৈতে মুক্ত, নিকা আৰু সৰ্বাত্মক বহুপাক্ষিক বাণিজ্য ব্যৱস্থাৰ প্ৰতি দায়বদ্ধতাৰ বিষয়ে পুনৰ উল্লেখ কৰিছে। ভ্লাদিভষ্টকত কালি অনুষ্ঠিত সাংহাই সহযোগিতা সংস্থা

এছ চি অ'ৰ বাণিজ্য মন্ত্ৰীসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰি সকলো পক্ষৰ সমৃদ্ধিৰ বাবে এছ চি অ'ক সামগ্ৰিকভাৱে শক্তিশালী কৰি তোলাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰে। দেশৰ  বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বিবৃতিত কয় যে ভাৰতে ৰপ্তানীৰ পৰিসৰ বৃদ্ধি কৰা, নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু নিৰ্ভৰযোগ্য যোগান শৃংখল গঢ়ি তোলাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰীক প্ৰতিনিধিত্ব কৰি এই বৈঠকত অংশগ্ৰহণ কৰা অতিৰিক্ত সচিব অমিতাভ কুমাৰে খাদ্য সুৰক্ষাকে ধৰি বিভিন্ন বিষয়ৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ স্থায়ী সমাধানকে ধৰি সংশ্লিষ্ট বিভিন্ন বিষয়ৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি কৰ্মপদ্ধতি যুগুত কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০

**ইউক্ৰেইনৰ ৰাজধানীত ৰাছিয়াৰ ড্ৰ'ন আৰু মিছাইল আক্ৰমণৰ ফলত কিয়ভত ৩ জন লোকৰ মৃত্যু আৰু ১৮জন লোক আহত হোৱাৰ লগতে চৰকাৰী ভৱনকে ধৰি বহু অট্টালিকাত জুই লাগে। চৰকাৰী  বিষয়া আৰু স্থানীয় বাতৰিৰ মতে, কিয়ভৰ পেচেৰস্কি জিলাৰ এটা প্ৰশাসনিক ভৱনত হোৱা ড্ৰ'ন আক্ৰমণৰ ফলত হোৱা অগ্নিকাণ্ডৰ পৰিপ্ৰেক্ষিতত বিদ্যুৎ যোগান ব্যাহত হৈছে। চাৰে  তিনি বছৰ ধৰি চলা এই যুদ্ধৰ অন্ত পেলাবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কূটনৈতিক কাৰ্য্যপন্থা বৃদ্ধি কৰিছে যদিও এই প্ৰচেষ্টা সফল হোৱা নাই। তাৰ পৰিবৰ্তে যোৱা কিছুদিন ধৰি ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণ বৃদ্ধি পাইছে।**

০০০০

এটা বিৰল মহাজাগতিক পৰিঘটনাৰ ফলস্বৰূপে আজি নিশাৰ আকাশত ব্যতিক্ৰমী ধৰণৰ পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ পৰিলক্ষিত হ'ব। এই চন্দ্ৰগ্ৰহণ সমগ্ৰ দেশতে দৃশ্যমান হ'ব। গুৱাহাটীৰ লগতে দিল্লী, মুম্বাই, কোলকাতা আৰু বেংগালুৰুকে ধৰি দেশৰ সকলো নগৰ-মহানগৰৰ উপৰি সমগ্ৰ এছিয়া, অষ্ট্ৰেলিয়া, পূব আফ্ৰিকা আৰু ইউৰোপৰ অংশ বিশেষত এই চন্দ্ৰগ্ৰহণ দেখিবলৈ পোৱা যাব। তথ্য অনুসৰি এই চন্দ্ৰগ্ৰহণ আজি নিশা ৮ বাজি ৫৮ মিনিটত আৰম্ভ হ'ব আৰু ২ বাজি ২৫ মিনিটত ইয়াৰ সমাপ্তি ঘটিব। প্ৰায় ৮২ মিনিট সময়ৰ বাবে পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ সম্পন্ন হ'ব বুলিও প্ৰকাশ পাইছে। উল্লেখযোগ্য যে গুৱাহাটী তাৰকা গৃহত আজি নিশাৰ এই বিৰল পৰিঘটনা চাব পৰাকৈ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই আকাশবাণীক জানিবলৈ দিছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কোনো কোনো অঞ্চলত কাইলৈ পৰ্যন্ত বৰষুণ হ'ব বুলি আগজাননী দিছে। বিভাগটোৱে আজি গুজৰাট আৰু পশ্চিম ৰাজস্থানত প্ৰৱল বৰষুণ হোৱাৰ লগতে হাৰিয়ানা, চণ্ডিগড়, দিল্লী আৰু উত্তৰাখণ্ডৰ কোনো কোনো ঠাইত অহা দুই তিনিদিন পৰ্যন্ত ধাৰাষাৰ বৰষুণ হব বুলি আগজাননী দিছে। তামিলনাডু, কেৰালা, অন্ধ্ৰপ্ৰদেশৰ উপকুলৱৰ্তী অঞ্চল আৰু য়ানামতো প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

০০০০

ইজৰাইলী সেনা বাহিনীয়ে গাজা চহৰত এটা বৃহৎ অট্টালিকাত কৰা বোমা বৰ্ষণত ৫৬ জন পেলেষ্টাইনীৰ মৃত্যু হয়। ইজৰাইলে কালি গাজাৰ দুটা বৃহৎ অট্টালিকা খালী কৰাৰ বাবে সতৰ্কতা জাৰি কৰিছিল। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে হামাছ উগ্ৰপন্থীসকল এই অট্টালিকাসমূহত লুকাই থকাৰ অভিযোগ উত্থাপন কৰি আক্ৰমণ চলোৱা বুলি প্ৰকাশ কৰে।

০০০০

এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিহাৰৰ ৰাজগিৰত হ'বলগীয়া  খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ভাৰতে কালি ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত চীনক ৭-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত ভাৰতে ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। দক্ষিণ কোৰিয়াই-মালেয়েছিয়াক ৪-৩ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে বৰ্তমানলৈ প্ৰতিযোগিতাৰ এখন খেলতো পৰাজিত নোহোৱা ভাৰতৰ দলটো এই প্ৰতিযোগিতাৰ খিতাপৰ অন্যতম দাবীদাৰ হিচাপে পৰিগণিত হৈছে। আজিৰ খেলখনত জয়লাভ কৰিলে ভাৰতে চতুৰ্থবাৰৰ বাবে আৰু গৃহভূমিত দ্বিতীয়বাৰৰ বাবে এছিয়া কাপ জয়ৰ সোৱাদ লাভ কৰিব।

ইপিনে, প্ৰতিযোগিতাত পঞ্চমৰ পৰা অষ্টম স্থান নিশ্চিতকৰণৰ বাবে হোৱা এখন খেলত কালি কাজাখস্তানে চীনা টাইপেইক ৬-৪ গলত পৰাস্ত কৰে।

০০০০

সমাপ্ত